GJMC S6-03(M)
Exam Code : JMM 6B

জনসম্পর্ক

ষষ্ঠ ষাণ্মাসিক

সাংবাদিকতা আৰু গণসংযোগ

খণ্ড ঃ ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক কে.ভি. নাগৰাজ, প্ৰাক্তন অধ্যাপক, গণসংযোগ বিভাগ, মিজোৰাম বিশ্ববিদ্যালয়
অধ্যাপক অভিজিৎ বৰা, গণসংযোগ আৰু সাংবাদিকতা বিভাগ, তেজপুৰ বিশ্ববিদ্যালয়
অধ্যাপক খ. কাবি, গণসংযোগ বিভাগ, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অৰুণাচল প্ৰদেশ
ড° অংকুৰণ দত্ত, সহযোগী অধ্যাপক আৰু মুৰব্বী, সংযোগ আৰু সাংবাদিকতা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী

ড° তৃষা দুৱৰা বৰুৱা,সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° জুৰি হাজৰিকা,সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	প্ৰস্তুতি গোটৰ সদস্য	ভাষান্তৰকাৰী
১,২,৩,৬	জেনিফাৰ শ্বাহিন হুছেইন ড° অনামিকা ৰয় মেম'ৰিয়েল ট্ৰাষ্ট	বন্দিতা ফুকন, (অধ্যায় ১,৩)
৪,৫,৭	ড° অংকুৰণ দত্ত, গুৱাহাটী বিশ্ববিদ্যালয়	পম্পী দেৰী, ড° ভাৰতী ভৰালী, আকাশবাণী গুৱাহাটী (অধ্যায় ২,৬) গীতাঞ্জলি মেধি কৃকাসৰামুবি (অধ্যায় ৪,৫,৭)

সম্পাদনা গোটঃ

বিষয়বস্তু (ইংৰাজী সংস্কাৰণ)ঃ	ড° তৃষা দুৱৰা বৰুৱা,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাষা (ইংৰাজী সংস্কাৰণ) ঃ	ড° কল্পনা বৰা বৰ্মণ, কটন বিশ্ববিদ্যালয় ড° তৃষা দুৱৰা বৰুৱা,সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অসমীয়া সংস্কৰণ) ঃ	ড° তৃষা দুৱৰা বৰুৱা,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ	ড° তৃষা দুৱৰা বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জানুৱাৰী, ২০২০ ISBN : 978-93-89955-33-0

This Self Learning Material (SLM) of the Krishna KantaHandiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

Printed and published by Registrar on behalf of the Krishna KantaHandiqui State Open University

Head Office :Patgaon, Rani Gate, Guwahati – 781017; Web : www.kkhsou.in/web_new

City Office :Housefed Complex, Dispur, Guwahati – 781006

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা **নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ** ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬

Web : www.kkhsou.in/web

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ জনসম্পর্কৰ ধাৰণা ৫-১৭

জনসম্পর্কৰ প্ৰকৃতি; জনসম্পর্কৰ সংজ্ঞা; জনসম্পর্কৰ উদ্দেশ্য; জনসম্পর্কৰ পৰিসৰ

অধ্যায় ২ ঃ জনসম্পর্কৰ বৃদ্ধি আৰু বিকাশ ১৮-২৮

জনসম্পর্কৰ বৃদ্ধি আৰু বিকাশ; জনসম্পর্কৰ বাটকাটীয়াসকল; ভাৰতত জনসম্পর্ক; ভাৰতত আধুনিক জনসম্পর্ক; জনসম্পর্কৰ সম্ভাৱনাসমূহ

অধ্যায় ৩ ঃ জনসম্পর্কৰ কার্যাৱলী ২৯-৪১

জনসম্পর্কৰ মৌলিক কার্য্যৱলী; উদ্দেশ্যধর্মী প্ৰচাৰ; প্ৰচাৰ আৰু উদ্দেশ্যধর্মী প্ৰচাৰ

অধ্যায় ৪ ঃ জনসম্পর্কৰ জনতা ৪২-৫৮

জনসম্পর্কৰ জনতা; আভ্যন্তৰীণ জনসমষ্টি; বাহ্যিক জনসমষ্টি; জনসম্পর্কৰ প্ৰচাৰ মাধ্যমঃ ছপা মাধ্যম, টেলিভিছন, ৰেডিঅ', কথাছবি, নব্য প্ৰচাৰ মাধ্যম

অধ্যায় ৫ ঃ জনসম্পর্ক অনুশীলনকাৰীসকল ৫৯-৭৬

উদ্দেশ্যধর্মী প্ৰচাৰ আৰু সাধাৰণ প্ৰচাৰ; জনসম্পর্কৰক্ষী বিষয়াঃ কর্তব্য আৰু দায়িত্ব, এগৰাকী ভাল জনসম্পর্কৰক্ষী বিষয়াৰ গুনসমূহ

অধ্যায় ৬ ঃ ভাৰতত জনসম্পর্কৰক্ষী সংস্থাসমূহ ৭৭-৮৮

ভাৰতীয় জনসম্পর্কৰক্ষী সমাজ, ভাৰতীয় জনসম্পর্কৰক্ষী পৰিষদ, ভাৰতীয় জনসম্পর্ক পৰামর্শদাতা সস্থা

অধ্যায় ৭ ঃ বিভিন্ন অনুষ্ঠান- প্ৰতিষ্ঠানত জনসম্পর্ক ৮৯-১০৯

সংগঠন এটাত জনসম্পর্কৰক্ষী বিভাগ গঠন ঃ সংগঠন এটাত জনসম্পর্কৰক্ষী বিভাগৰ স্থিতি, জনসম্পর্কৰক্ষী বিভাগৰ কার্যাৱলী; জনসম্পর্কৰক্ষী অভিযান আৰু কার্যসূচী; জনসম্পর্ক আৰু সংকট ব্যৱস্থাপনা; জনসম্পর্ক আৰু আচাৰ বিধি

পাঠ্য বিষয়ৰ পৰিচয়

'জনসম্পর্ক'ক চমুকৈ PR নামেৰে জনা যায়। ই এক নৱউত্থিত অধ্যয়ন ক্ষেত্ৰ। সমাজত জনসম্পর্কৰ ভূমিকা অবিৰতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। বজাৰৰ চৰিত্ৰ বহুমুখী হৈ পৰাৰ লগে লগে জনসম্পর্কৰ গুৰুত্বও দিনে দিনে বাঢ়ি গৈছে। একে সময়তে, জনসম্পর্কই এটা বৃত্তি হিচাপে অহৰহ নতুন প্ৰত্যাহ্বানৰ মুখামুখি হৈ আছে। নব্য প্ৰচাৰ মাধ্যমৰ বহুল প্ৰচলন ঘটা যুগৰ জটিল আৰু বৈচিত্ৰ্যময় সমাজত সৃষ্টি হোৱা সংযোগৰ নতুন পন্থা বিকশাই তোলাৰ প্ৰয়োজনীয়তাই জনসম্পর্কৰ গুৰুত্ব বঢ়াই তুলিছে।

এই পাঠ্যবিষয়টো দুটা খণ্ডত ভগোৱা হৈছে। প্ৰথম খণ্ডত সাতটা আৰু দ্বিতীয় খণ্ডত আঠটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে।

খণ্ড পৰিচয়

'জনসম্পর্ক' নাম দিয়া পাঠ্যবিষয়টোৰ প্ৰথম খণ্ডত মুঠ সাতটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়ত জনসম্পর্কৰ প্ৰকৃতি, সংজ্ঞা, উদ্দেশ্য আৰু পৰিসৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল জনসম্পর্কৰ ক্ৰমবিকাশ। অধ্যায়টোত ভাৰতত জনসম্পর্কৰ বৃদ্ধি আৰু বিকাশৰ লগতে সমগ্ৰ বিশ্বত ইয়াৰ প্ৰসাৰত আগভাগ লোৱা কেইগৰাকীমান বিশিষ্ট লোকৰ কথা আলোচনা কৰা হৈছে। জনসম্পর্কৰ কাৰ্যাৱলী আৰু সাধাৰণ প্ৰচাৰ তথা উদ্দেশ্যধৰ্মী প্ৰচাৰৰ এক চমু বৰ্ণনা হ'ল তৃতীয় অধ্যায়ৰ আলোচনাৰ মূল বিষয়। চতুৰ্থ অধ্যায়ত জনসম্পর্কৰ সৈতে জড়িত প্ৰধান জনসমষ্টি- আভ্যন্তৰীণ আৰু বাহ্যিক জনসমষ্টি দুটাৰ বিষয়ে বহলাই আলোচনা কৰাৰ লগতে ছপা, টেলিভিছন, ৰেডিঅ', কথাছবি আৰু নব্য প্ৰচাৰ মাধ্যমৰ দৰে প্ৰচাৰ মাধ্যমৰ বিভিন্ন ৰূপৰ আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়টি পঢ়ি আপুনি জনসম্পর্কৰক্ষী বিষয়াৰ কৰ্তব্য আৰু দায়িত্ববোৰৰ বিষয়ে বুজি পাব। ষষ্ঠ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল ভাৰতীয় জনসম্পর্কৰক্ষী সমাজ, ভাৰতীয় জনসম্পর্কৰক্ষী পৰিষদ আৰু ভাৰতীয় জনসম্পর্ক পৰামৰ্শদাতা সস্থাৰ দৰে বিভিন্ন জনসম্পর্ক প্ৰতিষ্ঠান। সপ্তম তথা শেষ অধ্যায়টিত কোনো অনুষ্ঠান-প্ৰতিষ্ঠানে গঠন কৰা জনসম্পর্কৰক্ষী বিভাগ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানটোত ইয়াৰ স্থিতি তথা কাৰ্যাৱলীকেনেধৰণৰ সেইবিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়টিয়ে জনসম্পর্কৰক্ষী অভিযান আৰু কাৰ্যসূচীবোৰৰ গুৰুত্বৰ লগতে সংকট ব্যৱস্থাপনাত জনসম্পর্কৰ ভূমিকাতো আলোকপাত কৰিছে।